NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে দেশত ন্যায়সংগত আৰু নিৰপেক্ষ সমাজৰ দিশে লৈ যোৱাৰ বাবে ন্যায় ব্যৱস্থা শক্তিশালী কৰি তুলিব লাগিব।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে যে নতুন ফৌজদাৰী আইন ৩ খন সাম্প্ৰতিক সমাজৰ প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হবলৈ সম্পূৰ্ণৰূপে সমৰ্থ।

৩। সংসদৰ শীতকালীন অধিবেশন ২৫ নৱেম্বৰত আৰম্ভ হ'ব।

৪। বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ লগতে সংগতি ৰাখি ৰাজ্যজুৰি আজি বিভিন্ন দল-সংগঠনৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ***আৰু***

৫। চাৰিদিনীয়া ছট পূজা ‘নহায়-খায়’ ৰীতিৰে আজি আৰম্ভ হৈছে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে দেশত ন্যায়সংগত আৰু নিৰপেক্ষ সমাজৰ দিশে লৈ যোৱাৰ বাবে ন্যায় ব্যৱস্থা শক্তিশালী কৰি তুলিব লাগিব। ৰাষ্ট্ৰপতি ভৱনত আজি বিয়লি উচ্চতম ন্যায়ালয়ৰ ৩ খন কিতাপ উন্মোচন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে উচ্চতম ন্যায়ালয়ে ভাৰতীয় প্ৰমূল্য আৰু বাস্তৱিকতাৰ ভিত্তিত ন্যায় ব্যৱস্থা বিকশাই তুলিছে। তেওঁ লগতে কয় যে, সমতা আৰু সম ন্যায় ব্যৱস্থাৰ আদৰ্শৰাজি ন্যায়পালিকাৰ বাবে পথ প্ৰদৰ্শকস্বৰূপ হ'ব লাগে।

০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে যে নতুন ফৌজদাৰী আইন ৩ খন সাম্প্ৰতিক সমাজৰ প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হবলৈ সম্পূৰ্ণৰূপে সমৰ্থ। তেওঁ কয় যে, সদন আৰু স্থায়ী কমিটিত বিশদ আলোচনাৰ অন্তত এই আইন ৩ খন গ্ৰহণ কৰা হৈছিল। নতুন দিল্লীৰ সংসদ ভৱন চৌহদত সাংবিধানিক আৰু সংসদীয় অধ্যয়ন প্ৰতিষ্ঠানে আয়োজন কৰা এটা অনুষ্ঠানত ৮৩ খন দেশৰ বিষয়াসকলক সম্বোধন কৰি শ্ৰীমতী মুৰ্মুৱে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে জনসাধাৰণৰ ন্যায়পালিকাৰ প্ৰতি অগাধ বিশ্বাস আছে আৰু বিগত ৭৫ বছৰৰ যাত্ৰাত এই আস্থা অধিক শক্তিশালী হৈ উঠিছে। অধ্যক্ষগৰাকীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰা কূটনীতিবিদসকলৰ দেশৰ আইনী পৰিকাঠামো, সংসদ, সংসদৰ কাৰ্যক্ৰমণিকা আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ সম্যক জ্ঞান লবলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে ভাৰতে সদায় আন্তৰাষ্ট্ৰীয় আইনৰ প্ৰতি সন্মান প্ৰদৰ্শন আৰু মানৱ অধিকাৰৰ পোষকতা কৰি আহিছে। দেশৰ শক্তিশালী মধ্যস্থতা ব্যৱস্থাৰ কথা উল্লেখ কৰি শ্ৰীবিৰলাই কয় যে, মধ্যস্থতা দেশৰ ঐতিহ্য স্বৰূপ আৰু প্ৰাচীন কালৰে পৰা জনসাধাৰণে এই ব্যৱস্থাৰ সহায় লৈ আহিছে।

০০০

সংসদৰ শীতকালীন অধিবেশন ২৫ নৱেম্বৰত আৰম্ভ হ'ব আৰু ২০ ডিচেম্বৰত অধিবেশনৰ সামৰণি পৰিব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সামাজিক মাধ্যমযোগে জনাইছে যে, সংবিধান গ্ৰহণৰ ৭৫ সংখ্যক জয়ন্তী ২৬ নৱেম্বৰত সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত উদ্‌যাপন কৰা হ'ব।

০০০

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ লগতে সংগতি ৰাখি ৰাজ্যজুৰি আজি বিভিন্ন দল-সংগঠনৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাধিস্থলত পুৱাৰে পৰা স্মৃতিচাৰণ সভা, সৰ্বধৰ্ম প্ৰাৰ্থনা, গীত-নৃত্যৰ অনুষ্ঠান আদি অনুষ্ঠিত হৈছে।

পুৱা বিত্ত, মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে আয়োজিত অনুষ্ঠানত অংশ লৈ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি আৰু প্ৰাক্তন সাংসদ কুইন ওজা উপস্থিত থাকে। সভাত বিশিষ্ট লেখক, সাংবাদিক বিদ্যুৎ কুমাৰ ভূঞাই শিল্পীগৰাকীৰ জীৱন আৰু কৰ্মৰ বিষয়ে বক্তৃব্য আগবঢ়ায়। ইপিনে দীঘলীপুখুৰীৰ পাৰত থকা শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিস্থলীতো সন্ধিয়া সদৌ অসম ছাত্ৰ সন্থাই ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০

চাৰিদিনীয়া ষট পূজা 'নহায়-খায়' ৰীতিৰে আজি আৰম্ভ হৈছে। সূৰ্য উপাসনাৰ এই উৎসৱ ৮ নৱেম্বৰত সামৰণি পৰিব। উৎসৱৰ প্ৰথম দিনা আজি ভক্তসকলে বিভিন্ন নৈ-পুখুৰী আৰু জলাশয়ত পৱিত্ৰ স্নান সম্পন্ন কৰে। সূৰ্য দেৱতাৰ উপাসনাৰ পাছত তেওঁলোকে প্ৰসাদ গ্ৰহণ কৰিব। পৰহিলৈ অষ্টগামী সূৰ্য আৰু শুকুৰবাৰে উদিত সূৰ্যলৈ অৰ্ঘ্য অৰ্পণ কৰাৰ লগে লগে এই উৎসৱৰ সামৰণি পৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নহায় খায় উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, ষঠি মৈয়াৰ আশীষেৰে ষট পূজাৰ সকলো আনুষ্ঠানিকতা সফলতাৰে সম্পন্ন হব বুলি আশা প্ৰকাশ কৰিছে।

০০০

ঝাৰখণ্ডৰ আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। এন ডি এ আৰু  আই এন ডি আই উভয় মিত্ৰজোটৰ নেতাসকলে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ বাবে চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। বিজেপি জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি লোহাৰদাগাত এখন নিৰ্বাচনী সভাত ভাষণ দি কয় যে, বিজেপি শাসনকালত ঝাৰখণ্ড ৰাজ্য গঠন কৰা হৈছিল আৰু ঝাৰখণ্ডক এখন উন্নত ৰাজ্য হিচাপে গঢ়ি তোলাই এই সিদ্ধান্তৰ মূল উদ্দেশ্য আছিল। ইপিনে, হাজাৰীবাগৰ মান্দুত এখন নিৰ্বাচনী সভাত ভাষণ দি কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে বিজেপিয়ে জাতি-ধৰ্মৰ নামত সমাজত বিভাজন সৃষ্টি কৰা বুলি অভিযোগ তোলে।

ঝাৰখণ্ড মুক্তিমৰ্চাৰ জ্যেষ্ঠ নেতা তথা  মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে  দলীয় প্ৰাৰ্থীসকলৰ হকে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়। আৰ জে দি, এ জে এছ ইউ আৰু বাওদলৰ নেতাসকলেও ভোটদাতাসকলৰ মন জয় কৰাৰ উদ্দেশ্যে আজি নিৰ্বাচনী সভাত ভাষণ দিয়ে।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে পোনপটীয়াকৈ শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

বিজ্ঞান আৰু প্ৰযুক্তিমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কৈছে যে ভাৰতে অহা মাহত শ্ৰীহৰিকোটা মহাকাশ কেন্দ্ৰৰ পৰা ইউৰোপীয় মহাকাশ সংস্থা প্ৰোবা-থ্ৰি নামৰ কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ উৎক্ষেপন কৰিব। এই অভিযানৰ জৰিয়তে সূৰ্য্যৰ পৰিধিৰ সমীপৰ অনুজ্বল জ্যোতিৰ্বলয়ৰ অধ্যয়ন কৰা হ'ব। নতুন দিল্লীত আজি তৃতীয় ভাৰতীয় মহাকাশ সন্মিলনক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, দেশত প্ৰায় প্ৰতিটো খণ্ডই মহাকাশ প্ৰযুক্তি ব্যৱহাৰ কৰিছে। তেওঁ লগতে কয় যে, মহাকাশ প্ৰযুক্তিয়ে গতি পথ নিৰ্দেশনা উপগ্ৰহৰ জৰিয়তে প্ৰতিচ্ছবি আৰু ভূভাগৰ মানচিত্ৰ প্ৰস্তুতিৰ জৰিয়তে স্মাৰ্ট ছিটি নিৰ্মাণৰ প্ৰক্ৰিয়া শক্তিশালী হৈছে। অনাগত সময়ত গোলকীয় মহাকাশ অৰ্থনীতিত ভাৰতৰ অৱদান ২ শতাংশৰ পৰা ১০ শতাংশলৈ বৃদ্ধি কৰাৰ বাবে গ্ৰহণ কৰা পৰিকল্পনাৰ বিষয়ে মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ড০ সিঙে লগতে গংগায়ান, ২০৩৫ লৈকে ভাৰত অন্তৰীক্ষ ষ্টেছন নামৰ ভাৰতীয় মহাকাশ কেন্দ্ৰৰ শুভাৰম্ভ আৰু ২০৪০ চনৰ ভিতৰত চন্দ্ৰপৃষ্ঠত ভাৰতীয় মহাকাশচাৰীৰ অৱতৰণৰ লেখিয়া ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ আসন্ন অভিযানৰ বিষয়ে আলোকপাত কৰে।

০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰমণ্টত আজি ৰাষ্ট্ৰপতিৰ নিৰ্বাচনী ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। এইবাৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ৰিপাব্লিকান দলৰ হৈ ডোনাল্ড ট্ৰাম্প আৰু ডেমক্ৰেটিক দলৰ হৈ কমলা হেৰিছে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ডোনাল্ড ট্ৰাম্পে মিচিগান চহৰত আৰু কমলা হেৰিছে পেঞ্চিলভেনিয়াত নিজৰ প্ৰচাৰ অভিযানৰ সামৰণি মাৰে। প্ৰচাৰ অভিযানৰ সময়ত ট্ৰাম্পে সীমান্ত ছীল কৰা তথা এক লাখ কোটি পৰ্যন্ত কৰ মাফৰ ওপৰত জোৰ দিয়ে। আনহাতে, হেৰিছে গৰ্ভপাতৰ অধিকাৰৰ পোষকতা কৰে আৰু কৰ্মৰত পৰিয়ালৰ বাবে খাদ্য তথা আৱাসৰ খৰছ কমাব বুলি সংকল্প গ্ৰহণ কৰে। মুঠ ৫৩৮ ভোটৰ ভিতৰত ২৭০ টা ভোট লাভ কৰা প্ৰতিদ্বন্দিজনকে বিজয়ী বুলি ঘোষণা কৰা হ'ব। ফ্লৰিডা ইউনিভাৰছিটিৰ নিৰ্বাচনী লেবে জনোৱা মতে, ৮২ নিযুততকৈও অধিক ভোটাৰে নিজৰ ভোটাধিকাৰ ইতিমধ্যে সাব্যস্ত কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰত ২৪৪ নিযুত পঞ্জীভূত ভোটদাতা আছে। ২০২০ চনৰ নিৰ্বাচনত ৬৬ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিছিল। এইবাৰৰ নিৰ্বাচনত দুয়োজন প্ৰাৰ্থীয়ে তুমুল প্ৰতিদ্বন্দিতা আগবঢ়াইছে বুলি ভোটগ্ৰহণকাৰীসকলৰ পৰা জানিব পৰা গৈছে।

০০০

নীতি আয়োগে জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে কাইলৈ ১৫ দিনীয়া জল উৎসৱ অভিযান আৰম্ভ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰ ডিচেম্বৰত অনুষ্ঠিত মুখ্য সচিবসকলক তৃতীয় সন্মিলনত নদী উৎসৱৰ লেখিয়াকৈ জল উৎসৱ উদযাপনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি এই অভিযানৰ আয়োজন কৰা হৈছে। নীতি আয়োগে এটা বিবৃতিযোগে কৈছে যে, ৬ ৰ পৰা ২৪ নৱেম্বৰলৈ দেশৰ

২০ খন অভিলাসী জিলা আৰু বিভিন্ন উন্নয়ন খণ্ডত জল উৎসৱ অভিযান ৰূপায়ণ কৰা হৈছে। ৰাষ্ট্ৰীয় জল জীৱন মিছন, খোৱাপানী আৰু অনাময় বিভাগ আৰু জলশক্তি মন্ত্ৰালয়ৰ সহযোগিতাত এই অভিযানৰ আয়োজন কৰা হৈছে। এই অভিয়ানৰ জৰিয়তে জল সংৰক্ষণ আৰু জল সম্পদৰ সুৰক্ষাৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰিব বিচৰা হৈছে।

০০০

সমাপ্ত